অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং:২০
উত্তৰ দিয়া তাৰিখ: ০৬/০৭/২০২৬

**বিষয়ঃ** বৈদ্যুতিকৰণ ।

শ্ৰী বিজয় কুমাৰ গুপ্তা, মাননীয় বিধায়ক।

**মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ৩৬ নং মধ্য গুৱাহাটী সমষ্টিৰ বৰ্তমানলৈকে বিভিন্ন অঞ্চলত, বিশেষকৈ পাহাৰীয়া এলেকাত বিদ্যুৎ সংযোগৰ কোনো ব্যৱস্থা হোৱা নাই, ইয়াৰ ফলত বিশেষকৈ ৰাতিৰ সময়ত বহু লোক চিতাবাঘৰ আক্ৰমণৰ বলি হ'বলগীয়া হৈছে আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে সন্ধিয়া সময়ত ভয়মুক্তভাৱে অহা-যোৱা কৰিব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হৈছে। লগতে উক্ত অঞ্চলসমূহত পথ-চাকি (Street lights) ৰো চৰম অভাৱ থকাটো বিভাগ অৱগত নে ?

(খ) যদি অৱগত, তেন্তে জনসাধৰণৰ অতি প্ৰাথমিক প্ৰয়োজনসমূহৰ ভিতৰত অন্যতম এই বিদ্যুৎ সংযোগ আৰু পথ চাকিৰ ব্যৱস্থা কৰাৰ বাবে উক্ত অঞ্চলবোৰত জৰুৰীভাৱে পদক্ষেপ গ্ৰহণ কৰিবনে ? যদি কৰে, তেন্তে কেতিয়া কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব ?

**উত্তৰ:**

**মাননীয় মুখ্যমন্ত্ৰী, অসম চৰকাৰ (শক্তি বিভাগৰ মন্ত্ৰী) ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব:::**

(ক) জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (DDMA) পৰা অনাপত্তি প্ৰমাণ পত্ৰ (No Objection Certificate) প্ৰাপ্ত হোৱাৰ পিছতহে গুৱাহাটী মহানগৰৰ পাহাৰীয়া এলেকাত বিদ্যুৎ সংযোগ দিয়া হয়। এইক্ষেত্ৰত ৩৬ নং মধ্য গুৱাহাটী সমষ্টিৰ অন্তৰ্গত শান্তিপুৰ, দুৰ্গাসৰোবৰ, দাঁতালপাৰা, চেণ্ডনবাৰী, GMCH পাহাৰ, জুটিয়া আদি পাহাৰীয়া এলেকাত বৈদ্যুতিকৰণৰ বাবে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে অনাপত্তি প্ৰমাণপত্ৰ (No Objection Certificate) জাৰি কৰা নাই। বৰ্তমান DDMA-ৰ পৰা অনাপত্তি প্ৰমাণপত্ৰ (NOC) বাকী থকাৰ বাবে কেপিটেল বৈদ্যুতিক উপ-সংমণ্ডলৰ অধীনস্থ নৰকাসুৰ পাহাৰ অঞ্চলৰ ৪ টা আৰু কালাপাহাৰ বৈদ্যুতিক উপ-সংমণ্ডলৰ অধীনস্থ কালাপাহাৰ পাহাৰ অঞ্চলৰ ১ টা বিদ্যুৎ সংযোগৰ আবেদন বিচাৰাধীন হৈ আছে।

(খ) গুৱাহাটী মহানগৰৰ পথ-চাকি (Street Light) সংস্থাপন আৰু ইয়াৰ ব্যৱস্থাপনাৰ দায়িত্ব APDCLৰ পৰিসৰত নাই।পথ-চাকি (Street Light) ৰ দায়িত্বত থকা বিভাগে যদি APDCL ক বিদ্যুৎ সংযোগৰ বাবে আবেদন কৰে, তেতিয়া নিশ্চিতভাৱে APDCL-এ বিদ্যুৎ সংযোগ প্ৰদান কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব।

********

বিঃদ্ৰঃ- উক্ত প্ৰশ্নোত্তৰ সমূহ www.NeVA.gov.in পোৰ্টেলত উপলব্ধ কৰা হৈছে।